যিয়ে (কেঁচা) নহৰু অথবা (কেঁচা) পিঁয়াজ খাইছে, সি যেন আমাৰ পৰা আঁতৰি থাকে, - অথবা তেখেতে কৈছিলঃ আমাৰ মছজিদৰ পৰা যেন আঁতৰি থাকে আৰু নিজৰ ঘৰতে যেন অৱস্থান কৰে।

জাবিৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে (কেঁচা) নহৰু অথবা (কেঁচা) পিঁয়াজ খাইছে, সি যেন আমাৰ পৰা আঁতৰি থাকে, - অথবা তেখেতে কৈছিলঃ আমাৰ মছজিদৰ পৰা যেন আঁতৰি থাকে আৰু নিজৰ ঘৰতে যেন অৱস্থান কৰে।" নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ শাক-পাচলিৰে ভৰা এটা পাত্ৰ অনা হ'ল, তেখেতে তাত কিবা গোন্ধ অনুভৱ কৰিলে আৰু সেই বিষয়ে প্ৰশ্ন কৰিলে, ফলত তাত থকা শাক-পাচলি সম্পৰ্কে তেখেতক জনোৱা হ'ল। তেতিয়া তেখেতে তেখেতৰ সৈতে অৱস্থান কৰা কোনো এজন চাহাবীক সেইখিনি দিবলৈ ক'লে, সেই চাহাবীজনে যেতিয়া দেখিলে, তেতিয়া তেৱোঁ সেইটো খাবলৈ অপছন্দ কৰিলে। তেতিয়া তেখেতে ক'লেঃ "তুমি খোৱা, কাৰণ মই যাৰ সৈতে কথা পাতোঁ তুমি তাৰ সৈতে কথা নোকোৱা।" ইমাম মুছলিমে জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ
সূত্ৰত বৰ্ণনা কৰিছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে এই নহৰু
জাতীয় উদ্ভিদ খাব, আন এবাৰ তেখেতে কৈছিলঃ যিয়ে (কেঁচা) পিঁয়াজ, নহৰু আৰু লীক (Leek)
(নহৰু আৰু পিঁয়াজ জাতীয় এবিধ উদ্ভিদ) আদি খাইছে, তেওঁ যেন আমাৰ মছজিদৰ ওচৰলৈ নাহে,
কাৰণ ইয়াৰ দ্বাৰা ফিৰিস্তাসকলে কষ্ট পায়, যিদৰে আদম সন্তানে কষ্ট পায়।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অচাল্লামে হাদীছটোত (কেঁচা) নহৰু আৰু পিঁয়াজ খাই মছজিদত আহিবলৈ নিষেধ কৰিছে। যাতে জামাআতৰ সৈতে নামাজ পঢ়িবলৈ অহা লোকে কষ্ট নাপায়। এই নিষেধাজ্ঞা কেৱল মছজিদত অহাৰ ক্ষেত্ৰতহে, খোৱাৰ ক্ষেত্ৰত নহয়। কাৰণ এই দুয়োবিধ খাদ্য বৈধ। এবাৰ তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ চালাদৰ পাত্ৰ অনা হ'ল, য'ত কেঁচা শাক-পাচলি আছিল। যেতিয়া তেখেতে তাত কিবা গোন্ধ অনুভৱ কৰিলে তেতিয়া তেখেতে সেইটো খাবলৈ অস্বীকাৰ কৰিলে আৰু সেই পাত্ৰটো চাহাবাসকলৰ ওচৰলৈ পঠিয়াই দিলে। তেখেতৰ অনুসৰণ কৰি চাহাবীজনেও খাবলৈ অপছন্দ কৰিলে। এই দেখি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক ক'লেঃ খোৱা। মই এই কাৰণে খোৱা নাই, কাৰণ মই অহী লৈ অহা ফিৰিস্তাৰ সৈতে কথা পাতোঁ। লগতে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, বেয়া গোন্ধৰ পৰা যিদৰে মানুহে কষ্ট পায় সেইদৰে ফিৰিস্তাসকলেও কষ্ট পায়।

http://sunnah.global/hadeeth/as/show/4850